**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-11-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসম বিধানসভাত আজি চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান সম্পৰ্কীয় এখন বিধেয়ক গৃহীত হয়। ভূমিৰ উৰ্ধসীমা নিৰ্ধাৰণ আৰু স্বত্বপ্ৰদান সংশোধনী বিধেয়ক ২০২৫ শীৰ্ষক এই বিধেয়কৰ জৰিয়তে বাগিচাৰ শ্ৰমিকসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ ফলত তিনি লাখ ৩৩ হাজাৰৰো অধিক ভূমি স্বত্বহীন চাহ বাগিচাৰ শ্ৰমিকে ভূমি অধিকাৰ লাভ কৰিব। অৱশ্যে এই বিধেয়কত জলহা চাহ বাগিচাপ শ্ৰমিকসকলক অন্তৰ্ভুক্ত কৰা হোৱা নাই। এই সংশোধনী বিধেয়কে অন্য কৃষি কাৰ্যত জড়িত চাহ বাগিচাৰ অন্তৰ্গত শ্ৰমিক শ্ৰেণীসমূহক অন্তৰ্ভুক্ত কৰা নাই। সম্প্ৰতি চাহ বাগিচাত কৰ্মৰত শ্ৰমিকসকলে স্পষ্ট আইনী অধিকাৰ নাইবা সাংবিধানিক সুৰক্ষা অবিহনে ভূমি দখল কৰি আছে। এই নতুন ব্যৱস্থাই তেওঁলোকক স্থায়ীভাৱে ভূমি বন্দোবস্তিত সহায় কৰিব। ইয়াৰ ফলত স্থায়ীভাৱে গৃহ নিৰ্মাণ কৰাৰ লগতে ভূমি সম্পৰ্কত তেওঁলোকৰ অসুৰক্ষিত মনোভাব হ্ৰাস পাব।

মুখ্যমন্ত্ৰীয়ে কয়, যে ভূমিৰ পট্টা লাভ কৰাৰ পাছত চাহ বাগিচাৰ ভূমি ২০ বছৰ পৰ্যন্ত বিক্ৰী কৰিব নোৱাৰিব। ২০ বছৰৰ পাছত ভূমি বিক্ৰী কৰিলেও সেয়া বাগিচাৰ আন শ্ৰমিককহে বিক্ৰী কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে ৩০০ টকাকৈ জলপানি প্ৰদানৰ ব্যৱস্থা আজি আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। এই উপলক্ষে পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। চলিত মাহৰ পৰা অহা চাৰি মাহলৈ দশম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে এই জলপানি লাভ কৰিব। শিক্ষাৰ্থীসকলৰ আত্মবিশ্বাস আৰু মনোবল বৃদ্ধিৰ উপৰি তেওঁলোকৰ অধ্যয়নৰ সামগ্ৰী তথা পুষ্টিকৰ খাদ্য ক্ৰয়ত সহায়ৰ বাবে **প্ৰেৰণা** শীৰ্ষক জলপানিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ জৰিয়তে ৰাজ্যৰ চাৰি লাখ ৪০ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব বুলি আশা কৰা হৈছে।

অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ৰাজ্যত সম্প্ৰতি শিক্ষা ব্যৱস্থা যথেষ্ট উন্নত হৈছে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপযুক্ত শিক্ষা গ্ৰহণৰ বাবে এটা পৰিকাঠামো নিৰ্মাণ কৰা হৈছে।

**ৰাইট**

০০০০

ডিব্ৰুগড় আৰক্ষীয়ে আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ পত্নীৰ নাম লৈ উজনি অসমৰ বিভিন্ন প্ৰান্তত ব্যাপক হাৰত অবৈধ ধনৰ লেনদেন কৰা এজন প্ৰৱঞ্চকক আটক কৰিছে। ডঃ বিদ্যুৎ বিকাশ ভূঞা নামৰ এই লোকজনে মুখ্যমন্ত্ৰীৰ পত্নীৰ নামত বহুজনৰ পৰা বিভিন্ন ধৰণৰ ব্যৱসায় সংক্ৰান্তীয় অনুমতি প্ৰদান, অনুজ্ঞাপত্ৰ প্ৰদানকে ধৰি বিভিন্ন কাৰণত ধন সংগ্ৰহ কৰিছিল। ডিব্ৰুগড় আৰক্ষীয়ে আজি লোকজনক আটক কৰি তদন্ত অব্যাহত ৰাখিছে।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জামিন মঞ্জুৰ কৰাৰ পাছত ধিঙৰ বিধায়ক আমিনুল ইছলামে আজি কাৰাগাৰৰ পৰা মুক্তি লাভ কৰে। যোৱা ২৪ এপ্ৰিলত ৰাষ্ট্ৰদ্ৰোহৰ অভিযোগত বিধায়কজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। পেহেলগামৰ সন্ত্ৰাসবাদীৰ আক্ৰমনৰ সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত এ আই ইউ ডি এফৰ বিধায়কজনক গ্ৰেপ্তাৰ কৰি পাছত কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল।

০০০০

ৰাজ্য চৰকাৰে ঘোষণা কৰা গ্ৰন্থ বৰ্ষৰ সৈতে সংগতি ৰাখি অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই তিনিচুকীয়াত আজিৰে পৰা অসম গ্ৰন্থমেলাৰ আয়োজন কৰিছে। তিনিচুকীয়াৰ চলিহানগৰ খেলপথাৰত ভাষা, সাহিত্য, সংস্কৃতিৰ এলানি আকৰ্ষণীয় অনুষ্ঠানৰে গ্ৰন্থমেলা উদ্বোধন কৰা হয়। উদ্বোধনী অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। নিজৰ ভাষণত তেওঁ অসমত গ্ৰন্থ আন্দোলনে সফলতা লাভ কৰিছে আৰু এই ক্ষেত্ৰত চৰকাৰৰ ভূমিকা প্ৰশংসনীয় বুলি উল্লেখ কৰে। সভাত উপস্থিত থাকি বিশিষ্ট লেখক, সাংবাদিক দিলিপ চন্দনে প্ৰযুক্তিৰ বিপুল উত্থান আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ বহুল প্ৰয়োগৰ সময়ছোৱাত গ্ৰন্থই এক ধৰণৰ ধ্যানৰ কাম কৰে বুলি মন্তব্য কৰে। চাপযুক্ত জীৱনৰ পৰা আহৰি পাবলৈ গ্ৰন্থ অনন্য আশ্ৰয় বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই ৰাজ্য চৰকাৰে এইবছৰ গ্ৰন্থবৰ্ষ হিচাপে ঘোষণা কৰি লেখক, প্ৰকাশক আৰু পঢ়ুৱৈক উৎসাহিত কৰাৰ লগতে গ্ৰন্থ আন্দোলনক অধিক শক্তিশালী কৰাৰ প্ৰয়াস কৰিছে বুলি উল্লেখ কৰে। ২০২১ চনৰ পৰা অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই যৌথভাৱে গ্ৰন্থমেলাৰ আয়োজন কৰি ৰাজ্যখনত গ্ৰন্থৰ ছপা, বিক্ৰী আৰু অধ্যয়নৰ ক্ষেত্ৰত আশাব্যঞ্জক পৰিৱেশৰ সৃষ্টি কৰিছে বুলি তেওঁ উল্লেখ কৰে। আজি উদ্বোধনীৰ দিনা তিনিচুকীয়াৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সাংস্কৃতিক প্ৰতিযোগিতাও অনুষ্ঠিত হয়।

০০০০

**ঃঃ সমাপ্ত ঃঃ**